অধ্যায় ১ ঃ যোগাযোগৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ যোগাযোগ ঃ অর্থ আৰু সূত্র
১.৪ সমাজ বিজ্ঞানত যোগাযোগৰ ধাৰণা
১.৫ যোগাযোগ ঃ প্রকাৰ আৰু ইয়াৰ প্রয়োজনীয়তা
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- যোগাযোগ মানে কি জানিব পাৰিব
- যোগাযোগৰ প্রকাৰৰ বিষয়ে জানিব পাৰিব
- যোগাযোগৰ প্রয়োজনীয়তাৰ বিষয়ে বুজি পাব।

১.২ পৰিচয়

যোগাযোগ হ'ল এক স্বাভাৱিক আৰু চক্রবৎ পদ্ধতি য'ত এজন ব্যক্তিয়ে এটা বাতৰি, জ্ঞান, সংকেত, চিন্তা বা ধাৰণা (লিখিত শব্দ/অকথিত/অংগীভংগী, কথিতভাৰে) নিজে নিজলৈ বা আনলৈ প্রেৰণ কৰে। ই এটা কৌশল যাক আমি সম্পর্ক স্থাপন কৰিবলৈ বা সম্পর্ক দৃঢ় কৰিবলৈ ব্যৱহাৰ কৰো। অক্সফোর্ড অভিধানৰ মতে 'যোগাযোগ হ'ল ভাব আৰু অনুভূতি প্রকাশ কৰা বা মানুহক বাতৰি যোগান ধৰা কার্য বা পদ্ধতি।' যোগাযোগ এক ধাৰাবাহিক পদ্ধতি আৰু মানুহে ইয়াক শৈশৱৰে পৰা শিকিবলৈ আৰম্ভ কৰে। ইংৰাজীৰ 'communicare' শব্দটো লেটিন ভাষাৰ 'communicare' বা 'communico' শব্দৰ পৰা আহিছে। ই তিনিটা মৌলিক কথা সামৰি লয়, যেনে, প্রেৰক, বার্তা আৰু গ্রাহক। সহজ কথাত যোগাযোগ মানে প্রেৰক আৰু গ্রাহকৰ মাজৰ পাৰস্পৰিক সম্বন্ধ। প্রেৰকে প্রেৰণ কৰা বার্তা এটা যেতিয়া গ্রাহকৰ বোধগম্য হয় আৰু তাৰ প্রতি সঁহাৰি জনায়, নাইবা নতুন ধাৰণা সংযোগ কৰিবলৈ গ্রাহকক উদ্‌গনি জনায়, তেতিয়াই যোগাযোগ সফল হৈছে বুলি ক'ব পাৰি। মানুহৰ চিন্তা বিনিময় কৰিবলৈ বিভিন্ন মাধ্যম আছে, যেনে, পুৰণা বা নতুন মাধ্যম। এখন শেহতীয়া চিনেমাৰ বিষয়ে যেতিয়া বন্ধুৰ লগত কথা

পতা বা আন যি কোনো বিষয়ে বা ৰাজহুৱা ঘোষণা, জাননী আদি জীৱনৰ সকলো ক্ষেত্ৰতে যোগাযোগৰ বিভিন্ন অর্থ আৰু সূত্ৰ তথা বিভিন্ন ধাৰণা সম্পর্কে জানিবলৈ যত্ন কৰিম।

১.৩ যোগাযোগ ঃ অর্থ আৰু সূত্ৰ

যোগাযোগ এটা চিনাকী শব্দ যিটো জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰয়োগ হয়। সহজ কথাত, পাৰস্পৰিক সম্বন্ধ বা বার্তা বিনিময়ক যোগাযোগ বুলি কোৱা হয়। যি কোনো ভাব, চিহ্ন, মতামত, চিন্তা বা বার্তা বিনিময় কৰিবলৈ সামাজিক বাতাবৰণত প্ৰতিজন ব্যক্তিৰ বাবে যোগাযোগ অতি প্ৰয়োজনীয়। ই সমাজৰ এক অবিচ্ছেদ্য অংগ। মানুহে যেতিয়া পাৰস্পৰিক ক্ৰিয়া কৰে, একে সময়তে তেওঁ যোগাযোগো কৰে। এজন ব্যক্তিয়ে দোকানী, চৰকাৰী চাকৰিয়াল, গাঁৱৰ মুখীয়াল, সহকর্মী, বন্ধু-বান্ধৱ আনকি নিজৰ পৰিয়ালৰ সদস্যসকলৰ লগতো যোগাযোগ ৰক্ষা কৰিবলগীয়া হয়। কিন্তু বিভিন্ন ব্যক্তিৰ লগত হোৱা পাৰস্পৰিক ক্ৰিয়া পৃথক হয়। উদাহৰণ স্বৰূপে মানুহে মানুহে নিজৰ বন্ধু এজন আৰু দোকানী এজনৰ লগত একে সম্পর্ক ৰক্ষা নকৰে। বন্ধুজনৰ লগত এটা ব্যক্তিগত সম্পর্ক থাকে, য'ত আৱেগ, অনুভূতি, চিন্তা আদি থাকে। আনহাতে, দোকানীজন আৰু গ্ৰাহকজনৰ মাজত এক আর্থিক লেনদেনৰ সম্পর্ক থাকে, যিহেতু তেওঁলোকৰ যোগাযোগো দৰদাম আদি অর্থনৈতিক কার্যৰ ওপৰত নির্ভৰ কৰে। সম্বন্ধ ব্যক্তিৰ ভিতৰত (নিজৰ সৈতে) বা ব্যক্তিৰ মাজত (মুখামুখী বা দুজনৰ মাজত বা সমূহীয়াকৈ বা দলীয়) হয়। যোগাযোগ যেতিয়া তিনিটা বিষয়, যেনে- আত্ম সজাগতা, উপলব্ধি আৰু আশাৰ ওপৰত নির্ভৰ কৰি নিজৰ ভিতৰত স্থাপিত হয়, তেতিয়াই আন্তঃব্যক্তিত্ব যোগাযোগ হয়। উদাহৰণ স্বৰূপে কোনো এটা আঁচনি কৰা, কোনো বিষয় পুংখানুপুংখ বিশ্লেষণ কৰা, দিনপঞ্জী বা খচৰা লিখা, প্ৰার্থনা কৰা, কাৰোবালৈ পঠোৱাৰ আগতে বার্তা এটা আখৰা কৰা, ইত্যাদি। আন্তঃব্যক্তি যোগাযোগ মানে বিভিন্ন ব্যক্তিৰ মাজৰ বার্তা বিনিময়। ই দুজন ব্যক্তিৰ মাজত মুখামুখীকৈ (দুজনীয়া যোগাযোগ), এটা দলৰ মাজত দলীয় যোগাযোগ) বা বিশাল জনতাৰ মাজত (ৰাজহুৱা যোগাযোগ) সংঘটিত হয়। ইয়াত গ্ৰাহকৰ পৰা এটা বিনিময় আৰু সঁহাৰি থাকে। উদাহৰণ স্বৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান পৰীক্ষা কৰা, তেওঁলোকৰ দ্বিধা আঁতৰ কৰা বা অভিৰুচিত কৰা, সভা আয়োজন কৰা, সাংস্কৃতিক অনুষ্ঠানত ভাব বিনিময় কৰা ইত্যাদি।

যোগাযোগৰ পদ্ধতিত সন্নিবিষ্ট—

ক) প্ৰেৰকৰ এটা ভাব বা ধাৰণা থাকে।

খ) প্ৰেৰকে ভাবটো এটা সংকেতেৰে বন্ধন কৰে।

গ) ভাবটো প্ৰেৰণ কৰে

ঘ) গ্ৰাহকে ভাবটো গ্ৰহণ কৰে

ঙ) গ্ৰাহকে সংকেতটো মুকলি কৰে

চ) প্ৰেৰকলৈ প্ৰত্যুত্তৰ।

John Adair- যোগাযোগ নিশ্চিতভাৱে এক যোগ্যতা যাৰ দ্বাৰা এজন মানুহে আন

এজনৰ লগত সম্বন্ধ স্থাপন কৰিব পাৰে আৰু তেওঁক কোনো কথা বুজাব পাৰে।

Louis Allen- যোগাযোগ হ'ল এজন মানুহে আনৰ মনত বোধ জনাবলৈ ইচ্ছা কৰি কৰা কার্যৰ সমষ্টি। যোগাযোগ হ'ল এক ভাবৰ ভাবৰ সাঁকো। ই কোৱা, শুনা আৰু বুজাৰ নিয়মিত আৰু ধাৰাবাহিক পদ্ধতি সামৰি লয়।

Keith Davis- যোগাযোগ হ'ল এজনৰ পৰা আনজনলৈ বার্তা প্রেৰণ আৰু বোধৰ পদ্ধতি।

ওপৰৰ বর্ণনাৰ পৰা আমি ক'ব পাৰো যে যোগাযোগ এক দ্বি-পন্থী পদ্ধতি য'ত এজন প্রেৰক আৰু গ্রাহকে কোনো অৱলম্বন বা মাধ্যমেৰে বার্তা আদান-প্রদান কৰে। এই বার্তা ব্যক্তিৰ নিজৰ ভিতৰত বা দুজন ব্যক্তিৰ মাজত হ'ব পাৰে। গ্রাহকৰ লগত প্রেৰকজনৰ সম্বন্ধৰ ওপৰত ভিত্তি কৰি বিভিন্নজনৰ ক্ষেত্রত বার্তা পৃথক পৃথক হয়।

যোগাযোগ যিহেতু এক ধাৰাবাহিক প্রক্রিয়া, এজন প্রেৰকে প্রেৰণ কৰা বার্তাটোৰ প্রতি গ্রাহকে সঁহাৰি জনাব; প্রেৰকে তেতিয়া উত্তৰ দিব বা গ্রাহকলৈ এটা সঁহাৰি জনাব যিটো গ্রাহকে সঁহাৰি জনাব আৰু এইদৰে পদ্ধতিটো চলি থাকিব। ই এক সহযোগিতামূলক পদ্ধতি যিহেতু সুফল দায়ক যোগাযোগ ৰক্ষাৰ বাবে প্রেৰণ আৰু গ্রাহক উভয়ৰ মাজত সহযোগিতা থাকিব লাগিব। যোগাযোগ নিয়মীয়া বা অনিয়মীয়া হ'ব পাৰে আৰু বার্তাৰ ধাৰা আৰু ভাব মৌখিক (মুখামুখী), লিখিত (বাতৰি কাকত, কিতাপ, আলোচনী কাকত), বা অংগী-ভংগী বা অকথিত (চিন, প্রতীক) হ'ব পাৰে। ই এক উদ্দেশ্যধর্মী কার্য যিয়ে কোনো এটা বিষয়, কার্য, পদ্ধতি, ভাব আদি সম্পর্কে সজাগতা সৃষ্টি বা বাতৰি সংগ্রহৰ লক্ষ্যৰে কাম কৰে।

১.৪ সমাজ বিজ্ঞানত যোগাযোগৰ ধাৰণা

যোগাযোগে সমাজৰ সকলো দিশকে সামৰি লয়, যেনে- সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আদি। সমাজ বিজ্ঞানে আন বহু দিশৰ তুলনাত মানৱ সমাজ আৰু মানুহৰ সামাজিক সম্পর্ক তথা ব্যৱহাৰৰ দিশত কাম কৰে। ই দুজন অভিনেতাৰ মাজৰ সম্পর্ক, তেওঁলোকৰ দায়িত্ব, মর্যদা দৃষ্টিভংগী আৰু সমাজৰ নীতি সম্পর্কে আলোচনা কৰে। উদাহৰণ স্বৰূপে, মালিক আৰু কর্মচাৰীৰ সম্পর্কতকৈ পিতৃ কন্যাৰ সম্পর্ক বেলেগ। আকৌ, মূল্যবোধ, নৈতিকতা, বিশ্বাস, বিধি-বিধান আদিৰ লগত সমাজ বিজ্ঞানৰ সাংস্কৃতিক সম্বন্ধ আছে। সেইবোৰো আন্তঃসম্বন্ধেৰে বান্ধখোৱা। এটা শব্দৰ ব্যাখ্যা, প্রতীক, বা চিহ্ন তাৰ সাংস্কৃতিক পটভূমিৰ ওপৰত নির্ভৰ কৰে। সংস্কৃতি যিহেতু সমাজ ভেদে পৃথক হয়, গতিকে তাৰ ব্যাখ্যাও পৃথক হয়। উদাহৰণ স্বৰূপে, কোনো এটা সংস্কৃতিত জ্যেষ্ঠজনৰ পদস্পর্শ কৰাটো সাধাৰণ কথা, কিন্তু আন এটা সংস্কৃতিত ই সাংস্কৃতিক আঘাতো হ'ব পাৰে।

এটা আন্তঃক্রিয়াৰ অর্থ বুজিবলৈ হ'লে আমি সমাজ কি আৰু ই কিদৰে কর্ম সম্পাদন কৰে জানিব লাগিব। মানুহে কিয় বিভিন্ন ধৰণে ক্রিয়া-প্রতিক্রিয়া কৰে জানিব লাগিব। সমাজ বিজ্ঞানত যোগাযোগ কি বুজিবলৈ আমি তলৰ কথাখিনি বুজিব লাগিব।

সামাজিক যোগাযোগ - সমাজ হ'ল সামাজিক সম্পৰ্কৰ এনাজৰী, যিয়ে এক বা একাধিক ব্যক্তিৰ লগত সম্বন্ধ ঘটায় আৰু সেইদৰে সমাজত যোগাযোগে দৃঢ়ভাৱে খোপনি পোতে। সমাজতত্ত্ব আৰু যোগাযোগে বার্তা কাক উদ্দেশ্য কৰি প্ৰেৰণ কৰে, বিষয়বস্তু, বার্তা আৰু প্ৰত্যুত্তৰ আদি বিষয়ত লগত সম্বন্ধ ৰাখে।

T.N. Luhmann-ৰ মতে তিনিটা গুৰুত্বপূৰ্ণ উপাদানৰ ওপৰত যোগাযোগ নির্ভৰ কৰে; যেনে এটা বার্তা নির্বাচন, ধৰণ নির্বাচন আৰু বোধৰ নির্বাচন। (Anderson-2003)

যোগাযোগে জনসাধাৰণৰ ওপৰত প্ৰভাৱ পেলায়। ইয়াৰ মূল লক্ষ্য হ'ল পঢ়া, বুজি পোৱা আৰু প্ৰতিক্ৰিয়া ব্যক্ত কৰা। যোগাযোগৰ গুৰুত্বপূৰ্ণ দিশ হ'ল কোনো সমাজৰ মানুহক বিভিন্ন মানুহ আৰু বহল সমাজত ভাব প্ৰকাশ কৰিবলৈ প্ৰস্তুত কৰা। এবাৰ মানুহে সমাজৰ কার্যাৱলী আৰু গঠন সম্পৰ্কে বুজি পালে তেওঁৰ বাবে ধাৰণা আৰু চিন্তাসমূহত ভাগ ল'বলৈ আৰু আনৰ লগত যোগাযোগ কৰিবলৈ সহজ হৈ পৰে। এই ভাব বিনিময় ঘৰখনৰ পৰাই আৰম্ভ হয় আৰু তাৰ পৰাই বহলভাৱে সমাজলৈ আগবাঢ়ি যায়, যিহেতু মানুহৰ মাজত সংযোগ সাধন আৰু তেওঁলোকক সংগঠিত কৰে আৰু তাকে অর্থনৈতিক যোগাযোগৰ মূলনীতি বুলি গণ্য কৰা হয়। সমাজতত্ত্বই পাৰস্পৰিক ক্ৰিয়া (ভাব বিনিময়) আৰু নিয়মিত বা অনিয়মিতভাৱে স্থাপন কৰা সম্পৰ্ক বুজিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

সাংস্কৃতিক যোগাযোগ ঃ এই প্ৰকাৰ যোগাযোগে মানুহক চৌপাশৰ পৃথিৱীৰ লগত যোগাযোগ ৰক্ষা কৰি আৰু নিৰীক্ষণ কৰি মানুহবোৰ কি কি ক্ষেত্ৰত পৃথক, ভাষা বা কথনশৈলী কেনেকুৱা আদিৰ যোগেদি বিভিন্ন সংস্কৃতি সম্পৰ্কে জানিবলৈ সহায় কৰে। এটা সংস্কৃতি সামাজিক শ্ৰেণী, মর্যদা, শক্তি, মূল্যবোধ, নৈতিকতা আদি জটিল বিষয়ৰ ওপৰত নির্ভৰ কৰি বর্তি থাকে। ই গঠনমূলক আৰু সংস্কাৰপূৰ্ণ ভাবৰ সৃষ্টি কৰে।

ৰাজনৈতিক যোগাযোগ ঃ যোগাযোগ ৰাজনীতিৰ এক অবিচ্ছেদ্য অংগ যিয়ে ৰাজনৈতিক ব্যক্তি, দল-সংগঠন, ব্যৱসায়িক ক্ষেত্ৰ আদিৰ দ্বাৰা কোনো মাধ্যমৰ সহায়ত (অনাতাঁৰ, দূৰদর্শন বা ছপা) ৰাইজৰ সিদ্ধান্ত গ্ৰহণৰ পদ্ধতিত প্ৰভাৱ পেলায়। ৰাজনৈতিক যোগাযোগৰ তিনিটা গুৰুত্বপূৰ্ণ গাঁথনি হ'ল যে ই উৎস আৰু উদ্দেশ্যত দৃষ্টি প্ৰদান কৰে, ই ৰাজনৈতিক ক্ষেত্ৰৰ পৰা ওলাই আৰু সদায় এটা ৰাজনৈতিক লক্ষ্য থাকে। ই শিক্ষা, সম্বন্ধ আৰু ব্যৱসায়ত উদ্‌গনি যোগায়। ই পূৰ্ণতা, বিবাদ আৰু লগে লগে সহযোগ আৰু সাংস্কৃতিক বিনিময়ক উদ্‌গনি যোগায়। ৰাজনৈতিক ক্ষেত্ৰত, যোগাযোগে চৰকাৰ আৰু নাগৰিকৰ মাজত সেঁতুৰ কাম কৰে।

অর্থনৈতিক যোগাযোগ ঃ অর্থনীতি আৰু যোগাযোগ আন্তঃসম্বন্ধিত, যিহেতু যোগাযোগে ব্যক্তি, ৰাজ্য, দল, সংস্থা, অনুষ্ঠান আৰু আন্তর্জাতিক সংগঠন সমূহৰ পৰা প্ৰাপ্ত খবৰৰ ভিত্তিত অর্থ আহৰণ সম্ভৰ কৰি তোলে। ই কাংক্ষিত লক্ষ্যত উপনিত হ'বলৈ।

১.৫ যোগাযোগ ঃ প্ৰকাৰ আৰু ইয়াৰ প্ৰয়োজনীয়তা

যোগাযোগ মূলতঃ দুই বা ততোধিক ব্যক্তিৰ মাজত ভাব, চিন্তা, অনুভূতি, আৱেগ, সংবাদৰ ৰূপত বার্তা বিনিময়ৰ বাবে ব্যৱহৃত হয়। গ্ৰাহক এজনে যদি বার্তাটো স্পষ্টভাৱে বুজি নাপায় তেনেহ'লে সেইটো সুফলদায়ক নহ'ব। বহল অর্থত যোগাযোগ দুটা ভাগত বিভক্ত—

১। **আনুষ্ঠানিক যোগাযোগ ঃ** নিয়মিত যোগাযোগ এক প্ৰকাৰ যোগাযোগ যি পদ্ধতিগতভাৱে আৰু পূৰ্ব নির্ধাৰিত মাধ্যমেৰে সম্পন্ন হয়। ই চৰকাৰী বিভাগ, ফার্ম, বেচৰকাৰী সংস্থা আৰু আন সংগঠনৰ ক্ষেত্ৰত নির্দেশাৱলী, আদেশ, কৌশল, আঁচনি আদি প্ৰেৰণৰ বাবে প্ৰযোজ্য হয়।

নিয়মিত যোগাযোগক আকৌ ভাগ কৰিব পাৰি—

- **ঊর্দ্ধমখী যোগাযোগ ঃ** এই প্ৰকাৰ যোগাযোগ প্ৰয়োগ হয় তেতিয়া, যেতিয়া এটা ভাব সমাজৰ নিম্ন স্তৰৰ পৰা উর্দ্ধ স্তৰলৈ প্ৰেৰিত হয়। এই প্ৰকাৰ যোগাযোগ প্ৰধানকৈ কোনো সংগঠনৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। উদাহৰণ স্বৰূপে, চাকৰিয়ালসকলৰ মাজত কামৰ ফলাফল, পৰামর্শ, স্পষ্টীকৰণ আৰু প্ৰতিশোধ আদি ক্ষেত্ৰত।
- **নিম্নমুখী যোগাযোগ ঃ** এই প্ৰকাৰ যোগাযোগ প্ৰয়োগ হয় যেতিয়া কোনো বার্তাৰ ধাৰা ওপৰৰ পৰা তললৈ গতি কৰে। ই সংগঠনত নিম্নমুখে গতি কৰে, যেনে- উচ্চ পদবীৰ পৰা মধ্য পদবী আৰু তাৰ পৰা সাধাৰণ কর্মচাৰীলৈ সংগঠনৰ শৃংখলমতে গতি কৰে। ই এক মর্যদা অনুসৰি শৃংখলিত পদ্ধতি। ই সাধাৰণতে নির্দেশনা, আদেশ প্ৰদান আৰু কার্যৰ আঁচনি ব্যাখ্যাৰ ক্ষেত্ৰত প্ৰয়োগ হয়।
- **সমভৌমিক যোগাযোগ ঃ** এই পদ্ধতিৰ যোগাযোগ প্ৰযোজ্য হয় য'ত ভাবৰ আদান-প্ৰদান একে পদমর্যদাৰ মানুহৰ মাজত সংঘটিত হয়। একে ধৰণৰ কাম, সমভাব, ইপ্সিত ফল লাভৰ বাবে ই অতি গুৰুত্বপূর্ণ।

২। **অনানুষ্ঠানিক যোগাযোগ ঃ** আনহাতে, অনিয়মিত যোগাযোগ ওচৰ সম্বন্ধীয় সদস্য, যেনে- পৰিয়াল, বন্ধু-বান্ধৱ আদিৰ মাজত সংঘটিত হয়। ই সংঘটিত হয় যেতিয়া নিয়মিত কোনো সংস্থাৰ ভিতৰৰ বা বাহিৰৰ বার্তা অনিয়মিতভাৱে প্ৰকাশ হয়। ইয়াৰ কোনো নিৰূপিত মাধ্যমেৰে হোৱা খবৰৰ স্ৰোত নাথাকে। উদাহৰণ স্বৰূপে- বন্ধৰ দিনৰ ভ্ৰমণ বা সামাজিক বিষয়ৰ শেহতীয়া চিনেমাৰ বিষয়ে আলোচনা।

বার্তা কি দৰে কঢ়িয়াই নিয়া হয় তাৰ ওপৰত ভিত্তি কৰি যোগাযোগ আকৌ তিনি ভাগত বিভক্ত কৰিব পাৰি।

ক) **মৌখিক যোগাযোগ ঃ** কথিত যোগাযোগত মৌখিকভাৱে মুখামুখীকে কথা পাতি বা কোনো মাধ্যমেৰে বা কোনো যান্ত্রিক ব্যৱস্থাৰে বার্তা কঢ়িয়াই নিয়া হয়। ইয়াত বার্তা এটাৰ অর্থ বোধগম্য হ'বলৈ কথাত মনোযোগ দিয়াটো অন্তর্ভুক্ত হয়। উদাহৰণ স্বৰূপে, মুখামুখী কথা বতৰা, ৰেডিঅ' সম্প্রচাৰ আদি।

খ) **অ-মৌখিক যোগাযোগ ঃ** মুখেৰে কোৱা ভাষা, বক্তব্য বা শব্দ ব্যৱহাৰ নকৰাকৈ যি যোগাযোগ হয় তাকে অকথিত যোগা বুলি কোৱা হয়। এই ক্ষেত্রত বার্তা কিছুমান চিহ্ন, প্রতীক বা অংগী-ভংগীৰ দ্বাৰা প্রকাশ কৰা হয়। ইয়াক আকৌ ভংগীমাত্মক যোগাযোগ বুলিও কোৱা হয়। উদাহৰণ স্বৰূপে মুখৰ ভংগী-হাঁহি, চকুৰ গতি, শৰীৰ সঞ্চাৰ, কণ্ঠস্বৰৰ নিয়ন্ত্রণ ইত্যাদি। অকথিত যোগাযোগে কথিত যোগাযোগৰ পৰিপূৰক আৰু শক্তিৰূপে কাম কৰে। ই যোগাযোগ পদ্ধতি সহজ বোধগম্য কৰি তোলে। এই ধৰণৰ যোগাযোগ বিভিন্ন সমাজ বিজ্ঞানীয়ে অধ্যয়ন কৰে, যিহেতু ই সংস্কৃতি ভেদে পৃথক পৃথক হয়।

- **চিহ্ন ঃ** ইয়াত চিহ্নৰ অর্থ অতি বিস্তৃত। যিবোৰ চিহ্ন আমি দৈনন্দিন জীৱনত প্রায়েই ব্যৱহাৰ কৰে। সেইবোৰ হ'ল হাত দাঙি ৰৈ থকা ভংগীমাৰ চিত্র বা পোষ্টাৰ আদিৰ নিচিনা। আমি জনা সকলো সংস্কৃতিতে এই চিহ্নবোৰে সৰল আৰু সাধাৰণ অর্থ প্রকাশ কৰে। এখন সমাজত চিহ্নৰ অর্থ নির্ভৰ কৰে ৰং, স্থাপন আৰু স্থানৰ ওপৰত। উদাহৰণ স্বৰূপে ইংৰাজী 'V' আখৰটোৰ ওলোটা চিহ্নটোৱে বহু সংস্কৃতিত শব্দতকৈ ডাঙৰকৈ বুজাবলৈ ব্যৱহাৰ কৰে।
- **প্রতীক ঃ** প্রতীক আৰু চিহ্ন দুটা পৃথক কথা, যিহেতু প্রতীক হ'ল সেইবোৰ, যিবোৰ এজন ব্যক্তিৰ জ্ঞান অভিজ্ঞতাৰ পৰা সৃষ্টি হয়। প্রতীক হ'ল অনুৰূপ বা ৰূপক যাৰ কিছু পৰিমাণে বাস্তৱতা থাকে। সেই প্রতীক সমূহ নিজে ভাষা নহয়, কিন্তু এই কষ্টকৰ আৰু কঠিন অর্থেৰে সমাজ বার্তা বিনিময় কৰিব পৰা যায়। উদাহৰণ স্বৰূপে, একোখন সমাজত বিয়াৰ আঙঠী বা পৰিয়ালৰ বংশৰ চিনাকী ৰূপে গ্রহণ কৰা কোনো প্রাকৃতিক সম্পদৰ একোটা অর্থ নিহিত থাকে।
- **অংগী-ভংগী ঃ** বিভিন্ন সংস্কৃতিত শাৰীৰিক অংগী-ভংগীৰ বিশেষ বিশেষ অর্থ আছে। ই সামাজিক বার্তা বিনিময়ত অংগী-ভংগী, মৌখিক প্রকাশ, শাৰীৰিক ভঙ্গিমা আদি ইয়াৰ অন্তর্ভুক্ত বিষয়সমূহ সামৰি লয়। মৌখিক ভাষাৰ দৰে অংগী-ভংগীয়েও আমাৰ ভাব, চিন্তা, অনুভূতি আদি প্রকাশ কৰে। কেতিয়াবা মনোবিজ্ঞানত শাৰীৰিক গতি, যিয়ে কথাৰ সলনি বার্তা বহন কৰে আৰু তেনে গতিৰ অধ্যয়ন বুজাবলৈ ইয়াৰ বিকল্প শব্দ 'Kinesics' ও (R.L. Birdwhistell, Kinesics and context, 1970) ব্যৱহাৰ কৰে। (Oxiford dictionary of Sociology 2009)
- **লিখিত ৰূপৰ যোগাযোগ ঃ** যিবোৰ বার্তা লিখিত ৰূপত দিয়া হয়, যেনে- আদশে, নির্দেশ, বৃত্তান্ত, জাননী ফলক ইত্যাদি, সেইবোৰেই লিখিত ৰূপৰ যোগাযোগ সৃষ্টি কৰে। এই প্রকাৰ যোগাযোগ প্রয়োজনীয়, যিহেতু ই এটা স্থায়ী প্রমাণ আৰু ই ভৱিষ্যতৰ বাবে তথ্য মজুত কৰি ৰখাৰ সুযোগ দিয়ে। এটা সুচল যোগাযোগৰ বাবে বার্তা এটা সম্পূর্ণ শুদ্ধ, বিশ্বাসযোগ্য, স্বচ্ছ, চমু, যুক্তিযুক্ত আৰু বিবেচনাপূর্ণ হ'ব লাগে।

সমাজত থকা মানুহৰ বাবে যোগাযোগ প্রয়োজনীয় বিষয় আৰু ইয়াৰ

অবিহনে মানুহ বৰ্তি থাকিব নোৱাৰে। সামাজিক আৰু সাংস্কৃতিক জীৱনত আমি বিভিন্ন সম্প্ৰদায় আৰু আমাৰ চৌপাশৰ মানুহৰ লগত পৃথিৱীৰ বিষয়ে আৰু কিছু পৰিমাণে নিজৰ বিষয়েও জানিবলৈ বাৰ্তা বিনিময় কৰিব লাগে। যোগাযোগৰ মুখ্য প্ৰয়োজন হ'ল এটা বাৰ্তা বহন কৰা আৰু এজন ব্যক্তিৰ ব্যৱহাৰ বা কাৰ্যৰ সলনি কৰা বা পথ প্ৰদৰ্শন কৰা। আন্তঃসম্বন্ধই মানুহৰ আৱেগ-অনুভূতি মুকলি প্ৰকাশ আৰু সামাজিক প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাট দেখুৱাই দিয়ে।

যোগাযোগ কেবল কথা-বাৰ্তা আৰু অংগী-ভংগীতে সীমিত নহয়। কথিত, লিখিত আৰু অকৰ্থিতৰ সমানে শ্ৰৱণ, বোধ, ব্যাখ্যা আদিও গুৰুত্বপূৰ্ণ উপাদান। Karl popper-ৰ মতে 'তোমাক ভুল বুজিব নোৱাৰাকৈ কথা কোৱাটো অসম্ভৱ।' অসম্পূৰ্ণ আৰু অশুদ্ধ পদ্ধতিৰে কৰা যোগাযোগ ভয়াৱহ হ'ব পাৰে আৰু ই এজন ব্যক্তিক, ব্যৱসায়িক বা সামাজিক সম্বন্ধক বিনষ্ট কৰিব পাৰে। সামাজিক ব্যক্তি হিচাপে আমি আনৰ চিন্তাকো প্ৰকাশ কৰা আৰু বুজি পোৱাটো দৰকাৰ। যোগাযোগৰ মাধ্যমেৰে মানুহৰ মাজৰ সম্বন্ধ বৃদ্ধি হয়। বিভিন্ন সভ্যতা বিশ্বৰ অন্য অংশৰ লগত থকা সম্পৰ্কৰ ওপৰত ভিত্তি কৰি উত্থান-পতন ঘটে। যদি যোগাযোগৰ মসৃনতা কাৰ্যকৰী নহয়, তেনেহ'লে সম্পৰ্ক ৰক্ষা কৰাটো কঠিন হয়। এইদৰে যোগাযোগৰ গুৰুত্ব জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে উপলব্ধি কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ যোগাযোগ বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ২ ঃ 'Communication' শব্দটো ক'ৰ পৰা উদ্ভৱ হৈছে?

.....

প্ৰশ্ন নং ৩ ঃ যোগাযোগৰ দুটা গুৰুত্বপূৰ্ণ প্ৰকাৰ কি? অনুষ্ঠানিক আৰু অনানুষ্ঠানিক যোগাযোগৰ উদাহৰণ দিয়ক।

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যোগাযোগ এক দ্বিপক্ষীয় পদ্ধতি য'ত প্ৰেৰক আৰু গ্ৰাহকে ভাব, চিন্তা আৰু জ্ঞান আদান-প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- এই সম্বন্ধ সুফলদায়ক কৰিবলৈ প্ৰেৰিত বাৰ্তাৰ অৰ্থ পৰিষ্কাৰ, চমু, সম্পূৰ্ণ আৰু

বাস্তৱিক হ'ব লাগে।

- যোগাযোগ সমাজৰ বিভিন্ন মানুহৰ মাজত সংঘটিত হয় আৰু ই দুজনৰ মাজত, দলীয় বা সমূহীয়া হ'ব পাৰে।

  যোগাযোগ পদ্ধতিয়ে ভাব, ভাবৰ সংকেত কৰণ, ভাব প্ৰেৰণ, বার্তাৰ গ্ৰাহক, বার্তাৰ সংকেত মুক্ত কৰণ আৰু তাৰ ফল সম্বন্ধে প্ৰেৰকৰ লগত ভাব বিনিময় আদি বিষয় সামৰি লয়।
- যোগাযোগে সমাজৰ বিভিন্ন দিশ সামৰি লয়, যেনে- সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক।
- সমাজতত্ত্ব আৰু যোগাযোগে দুয়ো হাতে হাত ধৰি আগবাঢ়ে। সিহঁতৰ মাজত এটা গভীৰ সম্পর্ক আছে যিহেতু যোগাযোগ বা আন্তঃক্ৰিয়া অবিহনে এখন সমাজ চলিব নোৱাৰে।
- যোগাযোগেৰ আটাইতকৈ গুৰুত্বপূর্ণ ৰূপ হ'ল অধ্যয়ন, বোধ আৰু প্ৰতিক্ৰিয়া।
- ই সমাজৰ কাম আৰু গঠন সম্পর্কে বুজিবলৈ সহায় কৰে আৰু এজন ব্যক্তিক ভাব, চিন্তা, মূল্যবোধ, বিশ্বাস আৰু অনুভূতি বিনিময় আৰু যোগাযোগ কৰিবলৈ সহজ পথ প্ৰদর্শন কৰে।
- যোগাযোগে অভিনেতা, দর্শক, যেনে- হেঁচা প্ৰয়োগকাৰী দল, ব্যৱসায়ী, সন্ত্ৰাসবাদ দল, ৰাজনৈতিক নেতা ইত্যাদিৰ সিদ্ধান্ত গ্ৰহণৰ পদ্ধতিত কোনো মাধ্যমৰ যোগেদি প্ৰভাৱ পেলায়।
- ঊর্দ্ধমুখী যোগাযোগ সৃষ্টি হয় যেতিয়া এটা ভাব তলখাপৰ প্ৰাধিকাৰীৰ পৰা সমাজৰ উচ্চ খাপৰ ব্যক্তিলৈ প্ৰেৰণ হয়।
- যেতিয়া খবৰ বা ভাবৰ ধাৰা উচ্চৰ পৰা নিম্নলৈ গতি কৰে তেতিয়া নিম্নমুখী যোগাযোগ সৃষ্টি হয়। ই কোনো এটা সংস্থাত শৃংখলা অনুসৰি তললৈ গতি কৰে, যেনে- উচ্চ প্ৰাধিকাৰীৰ পৰা মধ্যমীয়ালৈ আৰু তাৰ পৰা নিম্ন কর্মচাৰীলৈ।
- অনানুষ্ঠানিক যোগাযোগ ওচৰ সম্বন্ধীয়, যেনে- পৰিয়াল, বন্ধু-বান্ধৱৰ মাজত সংঘটিত হয়।
- মৌখিক যোগাযোগত বার্তা মৌখিকভাৱে মুখামুখীকৈ কথাপাতি বা কোনো মাধ্যম বা যান্ত্ৰিক উপায়েৰে প্ৰেৰণ কৰা হয়।
- যি যোগাযোগ মুখৰ কথা, ভাষা বা শব্দ বিহীনভাৱে কৰা হয়, তাকে অমৌখিক যোগাযোগ বোলা হয়।
- চিহ্ন, প্ৰতীক আৰু ভঙ্গিমা আদিৰ বিভিন্ন সংস্কৃতিত গভীৰ প্ৰভাৱ আছে যিহেতু ই সম্প্ৰদায় আৰু সমাজভেদে থকা পার্থক্য প্ৰকাশ কৰে।



১.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Andetson, N.A. (2203). Discussiue ahalysical stratyies : whdensiandy Tevcult, Koselleck, Laclau, Luhman, Britol : Pelicy Press.
2. Steinberg. S. (2007); An introduction to communication studies; Juta & Co. Ltd.



১.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগ এক স্বাভাৱিক আৰু ঘূৰ্ণীয়মান পদ্ধতি য'ত এজন ব্যক্তিয়ে এটা বাৰ্তা, জ্ঞান, সংকেত, চিন্তা বা ভাব (লিখিত শব্দ/অকথিত/ভঙ্গিমা, কথিত শব্দ) নিজৰ ভিতৰত বা আনলৈ প্ৰেৰণ কৰে। ই এটা কৌশল যাক আমি সম্বন্ধ স্থাপন বা শুধৰণি কৰিবলৈ ব্যৱহাৰ কৰে। Oxiford অভিধানৰ মতে, যোগাযোগ ভাব-অনুভূতি প্ৰকাশৰ বা মানুহক বাৰ্তা প্ৰেৰণৰ এটা কাৰ্য বা পদ্ধতি।

২নং প্ৰশ্নৰ উত্তৰ ঃ Communication শব্দটো লেটিন ভাষাৰ 'Communicare' বা 'Communico' শব্দৰ

৩নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগৰ দুটা গুৰুত্বপূৰ্ণ ভাগ হ'ল নিয়মিত আৰু অনিয়মিত। নিয়মিত যোগাযোগ হ'ল এটা পদ্ধতি যিটো সংঘটিত হয় শৃংখলিতভাৱে আৰু পূৰ্বনিৰ্দিষ্ট মাধ্যমেৰে। আনহাতে অনিয়মিত যোগাযোগ ওচৰ সম্বন্ধীয় লোকৰ মাজত, যেনে- পৰিয়ালৰ সদস্য ওচৰৰ সম্বন্ধীয় লোকৰ মাজত, যেনে- পৰিয়ালৰ সদস্য বন্ধু-বান্ধৱৰ মাজত সংঘটিত হয়। ই নিয়মিত গঠনৰ বাহিৰত থকা অনিয়মিত কাৰকৰ দ্বাৰা সংঘটিত হয়।



১.৯ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অনুষ্ঠানিক আৰু আনুষ্ঠানিক যোগাযোগৰ মাজৰ পাৰ্থক্য লিখক।

প্ৰশ্ন ২ ঃ মৌখিক আৰু অমৌখিক যোগাযোগৰ মাজৰ পাৰ্থক্য লিখক।

ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লিখিত যোগাযোগৰ ধাৰণাটো ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ বিভিন্ন প্ৰকাৰৰ যোগাযোগ কি কি আৰু সেইসমূহ সামাজিক বাতাৰৰণত কিদৰে সহায় হয়?

*** ***** ***